**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জয়ছালমেৰত অনুষ্ঠিত স্থলসেনা কমাণ্ডাৰ সন্মিলনত কেইটাও গুৰুত্বপূৰ্ণ ডিজিটেল আৰু কল্যানমূলক উদ্যম মুকলি কৰে।

৩। প্ৰবীন অভিনেতা সতীশ শ্বাহৰ আজি মুম্বাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে।

৪। মালয়েছিয়াৰ কুৱালালামপুৰত কাইলৈৰ পৰা ৪৭ সংখ্যক আছিয়ান শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। ***আৰু***

৫। ভাৰতে আজি ছিদনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ঘৰুৱা দল অষ্ট্ৰেলিয়া ৯ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতীয় সেনাৰ দশকযোৰা পৰিৱৰ্তনৰ দৃষ্টিভংগীক শক্তিশালী ৰূপ প্ৰদান কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জেইচলমেৰত স্থলসেনাৰ কমাণ্ডাৰসকলৰ সন্মিলত কেইবাটাও গুৰুত্বপূৰ্ণ ডিজিটেল আৰু কল্যাণমূলক উদ্যমৰ উদ্বোধন কৰে। এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ ভিতৰত কোনাৰ্ক আৰু ফায়াৰ এণ্ড ফিউৰি বাহিনীৰ বাবে ডাটা চেণ্টাৰৰ উদ্বোধন কৰে। সেনাৰ ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত এই ডাটা চেন্টাৰক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে আধুনিক সঁজুলি হেল্প লাইন প'ৰ্টেল মুকলি কৰে। আৰমান মঞ্চৰ জৰিয়তে ১২০০তকৈও অধিক ৰে'লত প্ৰতিৰক্ষা সেৱা কোটা আসনৰ কাম-কাজৰ আধুনিকীকৰণ কৰিবলৈ 'সৈনিক যাত্ৰী মিত্ৰ' এপৰো শুভাৰম্ভ কৰে। ভাৰতীয় সেনাৰ অতিৰিক্ত জন তথ্য সঞ্চালকালয়ৰ তৰফৰ পৰা সামাজিক মাধ্যমৰ এটা বাৰ্তাত কোৱা হৈছে যে, এই পদক্ষেপসমূহে ডিজিটেল ৰূপান্তৰ, কাৰ্য্যকৰী দক্ষতা আৰু ইয়াৰ কৰ্মচাৰীসকলৰ কল্যাণৰ প্ৰতি ভাৰতীয় সেনাৰ দায়বদ্ধতাক আলোকপাত কৰে।

০০০০০

প্ৰবীন অভিনেতা সতীশ শ্বাহৰ আজি মুম্বাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৪ বছৰ। চীনে এণ্ড টিভিৰ আৰ্টিষ্ট এছোছিয়েছনৰ বিষয়া অশোক পণ্ডিতে প্ৰকাশ কৰা মতে, অভিনেতাগৰাকী যোৱা কিছুদিন ধৰি বৃক্কৰ সমস্যাত ভুমি আছিল। তেওঁক আজি হিন্দুজা চিকিৎসালয়লৈ নিয়া হয় আৰু তাতে অভিনেতাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত শ্বাহৰ শেষকৃত্য কাইলৈ সম্পন্ন কৰা হয়।

সতীশ শ্বাহে ১৯৫১ চনৰ ২৫ জুনত সেইসময়ৰ বোম্বেত জন্মগ্ৰহণ কৰিছিল। তেওঁ চেইণ্ট জেভিয়াৰ্ছ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু পাছত পুণেৰ চলচিত্ৰ আৰু টিভি প্ৰতিষ্ঠানত নামভৰ্তি কৰিছিল। তেওঁ ৪ দশকযোৱা অভিনয় যাত্ৰা, থিয়েটাৰ, চলচিত্ৰ আৰু টেলিভিছনত কাম কৰিছিল। তেওঁ ১৯৭০ আৰু ১৯৮০ দশকৰ শেষ ভাগলৈ হিন্দী চলচ্চিত্ৰৰ সহ অভিনেতা হিচাপে চলচ্চিত্ৰ জগতত ভুমুকি মাৰিছিল। তেওঁ ১৯৮৩ চনৰ জানে ভি দো য়াৰো নামৰ চলচ্চিত্ৰখনত কৰা অভিনয়েৰে জনাজাত হৈ পৰিছিল। তেওঁ শক্তি, হম আপকে হ্যে কোন, হম ছাথ চাথ হ্যে, মে হু না, কা হো না হো, ফনা, ঔম শান্তি ঔম আদি কেইবাখনো চলচ্চিত্ৰত অভিনয় কৰিছে।

জনপ্ৰিয় ধাৰাবাহিক ছাৰাভাই ভাৰ্ছেচ ছাৰাভাইত ইন্দ্ৰবদন ছাৰাভাইৰ ভূমিকাত কৰা তেওঁৰ অভিনয়ে টেলিভিছন জগতৰ প্ৰতিষ্ঠিত কৌতুক অভিনয়ৰ অন্যতম বুলি গণ্য কৰা হয়। তেওঁৰ টেলিভিছন আৰু চলচ্চিত্ৰত কৰা বহুমুখী অভিনয়েৰে দৰ্শকৰ হৃদয়ত বিশেষ স্থান দখল কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ বিয়োগ ভাৰতীয় মনোৰঞ্জন জগতৰ বাবে অপূৰণীয় ক্ষতি।

00000

এন ডি এ আৰু মহা মিত্ৰজোট উভয়েৰে তাৰকা প্ৰচাৰকসকলে বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি খগড়িয়াত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ লগতে মুংগেৰ আৰু নালন্দা জিলাতো দুখন নিৰ্বাচনী সভাত ভাগ লয়। ইপিনে, আৰ জে দি নেতা তেজস্বী প্ৰসাদ যাদৱৰ আজি খগড়িয়াত হ'বলগীয়া নিৰ্বাচনী সভাখন পিছুৱাই দিয়া হৈছে। পাটনাত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীযাদৱে বিজেপি নেটিবাচক ৰাজনীতিত লিপ্ত হোৱা বুলি অভিযোগ তোলে। তেওঁ কয় যে এন ডি এ চৰকাৰ কৰ্মসংস্থাপন, ঔদ্যোগিক উন্নয়ন আৰু প্ৰব্ৰজনৰ দৰে সমস্যা দূৰ কৰাত ব্যৰ্থ হৈছে। ইফালে জন সুৰজ পাৰ্টীৰ প্ৰতিষ্ঠাপক প্ৰশান্ত কিশোৰে এন ডি এ আৰু মহামিত্ৰজোট উভয়ে জনসাধাৰণৰ আকাংক্ষা পূৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ তুলিছে। মতিহাৰীত দলৰ হকে প্ৰচাৰ চলাই শ্ৰীকিশোৰে জন সুৰজ পাৰ্টী বিহাৰৰ বাবে ভাল বিকল্প বুলি দাবী কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা আৰু যোৱা ২ চেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হোৱা জি এছ টি সঞ্চয় উৎসৱৰ পৰা সমাজৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণ উপকৃত হৈছে। পৰৱৰ্তী প্ৰজন্মক জি এছ টি সংস্কাৰে চামৰা আৰু জোতা-চেণ্ডেল খণ্ডক যথেষ্ট সকাহ দিছে। যুৱ নিৰ্মাতাসকলৰ বোজা লাঘব কৰাৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰা এই সংস্কাৰৰ ফলত উৎপাদন ব্যয় হ্ৰাস পাইছে আৰু উপভোক্তাসকলৰ বাবে উন্নত মানৰ জোতা চেণ্ডেল বহনক্ষম হৈ উঠিছে। নতুন কৰ পৰিকাথামোৰ অধীনত কৃষ্ণসাড় হৰিণ বা ভেড়াৰ নোমযুক্ত ছাল, চামৰা তন্তুৰ পৰা প্ৰস্তুত কৰা চামৰা আৰু চৰ্ম সংস্কৰণী প্ৰক্ৰিয়াৰে প্ৰস্তুত কৰা চামৰাৰ ওপৰত আৰোপিত জি এছ টি ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। দুহেজাৰৰ পৰা ৫ হাজাৰ টকা মূল্যৰ জোতা চেণ্ডেলৰ ওপৰত আৰোপিত কৰো পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ কমোৱা হৈছে। ইয়াৰ ফলত যুৱ আৰু মধ্য আয়ৰ উপভোক্তাসকলৰ বাবে আকৰ্ষণীয় আৰু উন্নতমানৰ জোতা চেণ্ডেল সুলভ হৈ উঠিছে। চাল আৰু চামৰাৰ সৈতে জড়িত কাম-কাজৰ ক্ষেত্ৰত প্ৰযোজ্য জি এছ টিও ১২ ৰ পৰা ৫ শতাংশলৈ কৰ্তন কৰা হৈছে আৰু ইয়াৰ পৰা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ লাভান্বিত হৈছে।

00000

দেশৰ বিভিন্ন অংশত আজিৰে পৰা ৪ দিনীয়া ষট পূঁজা আৰম্ভ হৈছে। সূৰ্য দেৱতাৰ নামত উৎসৰ্গিত এই উৎসৱ প্ৰকৃতি আৰু পৰিষ্কাৰ -পৰিচ্ছন্নতাৰ আৰাধনাৰ প্ৰতীক। ভক্তসকলে পূঁজাৰ প্ৰথম দিনা পবিত্ৰ ব্ৰত ৰখাৰ সংকল্পৰে পবিত্ৰ স্নান সম্পন্ন কৰে আৰু পূঁজা আৰ্চনাৰ অন্তত আৰৱা চাউলৰ আহাৰ আৰু জাতিলাও চবজী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট পূঁজা উপলক্ষে দেশ-বিদেশৰ ভক্তসকলক ওলগ জনাইছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ব্ৰতত থকা সকলো লোকৰ অভূতপূৰ্ব ভক্তিৰ প্ৰতি প্ৰণিপাত জনায় আৰু এই ৪ দিনীয়া উৎসৱৰ সাংস্কৃতিক গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে পবিত্ৰতা আৰু নীতি-নিয়ম পালনৰ দিশৰ পৰা অদ্বিতীয় এই উৎসৱ, সৰলতা আৰু সংযমৰ প্ৰতীক স্বৰূপ। তেওঁ লগতে কয়, যে ষট পূজাঁৰ ঘাটসমূহৰ দৃশ্যৰাজিয়ে পাৰিবাৰিক আৰু সামাজিক সম্প্ৰীতি সদ্ভাৱৰ প্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰীয়ে লগতে সমাজৰ ওপৰত গভীৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নহায় খায় উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে নহায় খায় প্ৰথাৰে আৰম্ভ হোৱা ষট পূঁজা পৰম্পৰা, আস্থা আৰু সামাজিক সম্প্ৰীতিৰ উৎসৱ। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধিৰ ওচৰত ষঠী মায়াৰ ওচৰত প্ৰাৰ্থনা জনায়।

00000

মালয়েছিয়াৰ কুৱালালামপুৰত কাইলৈৰ পৰা অন্তৰ্ভুক্তি আৰু বহনক্ষমতা সম্পৰ্কীয় শীৰ্ষ সন্মিলনৰ সৈতে ৪৭ সংখ্যক আছিয়ান শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। আছিয়ান শীৰ্ষ সন্মিলনত উদ্বোধনী অনুষ্ঠানত আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ সকলো সদস্য ৰাষ্ট্ৰৰ নেতাসকল উপস্থিত থাকিব। এই সন্মিলনত তিম'ৰ - লেষ্টেক আছিয়ান ৰাষ্ট্ৰগোষ্ঠীত অন্তৰ্ভুক্তি সন্দৰ্ভত ঘোষণাপত্ৰ স্বাক্ষৰ কৰা হ'ব। ইয়াৰ লগে লগে তিম'ৰ লেষ্টে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ একাদশ সদস্য ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব।

মালয়েছিয়াত হ'বলগীয়া বিভিন্ন সন্মিলনৰ ভিতৰত আছিয়ান শীৰ্ষ সন্মিলন, আছিয়ান আৰু ৭ খন আলোচনা সহযোগী ৰাষ্ট্ৰ - অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, কোৰিয়া গণৰাজ্য, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ আছিয়ান প্লাছ ৱান শীৰ্ষ সন্মিলন অন্যতম। আছিয়ান শীৰ্ষ সন্মিলনৰ পূৰ্ণাংগ অধিবেশনৰ আলোচনাত সদস্য ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গই আছিয়ান সম্প্ৰদায় গঠন আৰু আছিয়ানৰ সৈতে বাহ্যিক সম্পৰ্কৰ দৰে বিষয়সমূহত গুৰুত্ব প্ৰদান কৰিব। নেতৃবৰ্গই আঞ্চলিক সংহতি গভীৰ কৰা, অৰ্থনৈতিক বিকাশ শক্তিশালী কৰা আৰু আছিয়ান সম্পৰ্ক বৃদ্ধিৰ উপায় সম্পৰ্কে মত বিনিময় কৰিব।

00000

য়েমেনৰ হাউথি গোটে পুনৰ দেশখনৰ ৰাজধানী সানাত ৰাষ্ট্ৰসংঘৰ সাতজন সাহায্য কৰ্মীক তেওঁলোকৰ ঘৰৰ পৰা আটক কৰিছে। স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি কালি চাৰিজন আৰু তাৰ আগদিনা তিনিজন কৰ্মীক আটক কৰা হৈছিল। উল্লেখযোগ্য যে ইৰাণ আৰু ওমানৰ মধ্যস্থতাৰ পিছতে ১২ গৰাকী ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় কৰ্মচাৰীক ছানাৰ পৰা মুকলি কৰি উলিয়াই অনাৰ কেইদিনমানৰ পিছতে হাউথি গোটে এই ঘটনা সংঘটিত কৰিছে। ৰাষ্ট্ৰসংঘৰ বিশেষ দূত হান্স গ্ৰুণ্ডবাৰ্গে কৈছে যে হাউথি নেতা আব্দুলমালিক আল-হাউথিৰ টেলিভিছনত প্ৰচাৰ হোৱা ভাষণৰ পিছতে সাহায্য কৰ্মী আৰু কূটনৈতিক কৰ্মচাৰীৰ লগতে ৰাষ্ট্ৰসংঘৰ প্ৰায় ৫৩ জন কৰ্মচাৰীক এতিয়াও আটক কৰি ৰখা হৈছে। হাউথিসকলে ২০১৪ চনত ছানা দখল কৰাৰ

পৰাই য়েমেনত দীৰ্ঘদিনীয়া গৃহযুদ্ধৰ সূচনা হৈছিল যাৰ ফলত লাখ লাখ য়েমেনৰ নাগৰিক ৰাষ্ট্ৰসংঘৰ সহায়ৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল।

০০০০০

০০০০০

ভাৰতে আজি ছিদনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ঘৰুৱা দল অষ্ট্ৰেলিয়া ৯ উইকেটত পৰাস্ত কৰে। ভাৰতে ২৩৭ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৩৮ অভাৰ আৰু ৩ টা বলত এটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ ৰোহিত শৰ্মাই ১২১ ৰাণ আৰু বিৰাট কোহলীয়ে ৭৪ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৬ অভাৰ আৰু ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩৬ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মেট ৰেনশ্বই সৰ্বাধিক ৫৪ ৰাণ কৰে। মিছেলমাৰ্ছে ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৰ্ষিত ৰাণাই ৪ টা আৰু ৱাছিংটন সুন্দৰে ২ টা উইকেট দখল কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ